"নূন্যতম সমৰ্থন মূল্যত কৃষকৰ অতিৰিক্ত ধান আৰু সৰিয়হ বিক্ৰী"

দিনাংক – 31-07-2023

# জাননী

ইয়াৰ দ্বাৰা বঙাইগাঁও বাসী সমূহ কৃষক ৰাইজক জনোৱা যায় যে যোৱা বছৰৰ দৰে এই বছৰো কৃষকৰ অন্ লাইন পঞ্জীয়ন যোগে কৃষকৰ অতিৰিক্ত ধান আৰু লগতে সৰিয়হ, চৰকাৰৰ নূন্যতম সমৰ্থন মূল্যত অভয়াপুৰীৰ দেওঁহাটীত স্থাপন কৰা ধান আৰু সৰিয়হ ক্ৰয় কেন্দ্ৰত কিনি থকা হৈছে। অনুগ্ৰহ কৰি মন কৰিব যে সম্প্ৰতি 2022-23 বৰ্ষৰ বাবে ধান আৰু সৰিয়হৰ প্ৰতি কুইন্টলত নূন্যতম সমৰ্থন মূল্য হ'ল ক্ৰমে 2,040.00 টকা আৰু 5,450.00 টকা। গতিকে যি সকল কৃষকে তেওঁলোকৰ অতিৰিক্ত ধান তথা সৰিয়হ বিক্ৰী কৰবলৈ ইচ্ছা কৰিছে, তেওঁলোকে যেন অবিলম্বে নিজৰ কৃষি-চক্ৰৰ কৃষি উন্নয়ন বিষয়া (নডেল বিষয়া)ৰ পৰা কৃষক প্ৰমাণ পত্ৰ আহৰণ কৰি অভয়াপুৰীৰ দেওঁহাটীত থকা ক্ৰয় কেন্দ্ৰত বিক্ৰী কৰেহি। এয়া অতিশয় গুৰুত্বপূৰ্ণ যে নিজৰ কৃষি-চক্ৰৰ কৃষি উন্নয়ণ বিষয়াৰ অজ্ঞাতে যেন কোনো কৃষকে নিজৰ কষ্টোপাৰ্জিত ধান তথা সৰিয়হ আন ধান বা সৰিয়হ-কিনা বেপাৰীৰ ওচৰত নূন্যতম সমৰ্থন মূল্যতকৈ কম দামত কেতিয়াও বিক্ৰী নকৰে। এৰাব নোৱাৰা কিবা কাৰণত বিক্ৰী কৰিব খুজিলেও বিক্ৰী মূল্য নূন্যতম সমৰ্থন মূল্যৰ সমান হ'ব লাগিব বা তাতোকৈ বেছি হ'ব লাগিব। এই ক্ষেত্ৰত কৃষকজনে ক্ৰেতাজনৰ পৰা এখন বিক্ৰী তথ্য বা ৰছিদ লোৱাটো অতি জৰুৰী। প্ৰয়োজনত নিজৰ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াই বিচাৰিলে প্ৰমাণ হিচাবে উক্ত বিক্ৰী ৰচিদৰ নকল কপি কৃষকজনে কৃষি উন্নয়ন বিষয়াজনক দিব লাগিব।

কৃষকৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত বঙাইগাঁও বাসী সমূহ কৃষক ৰাইজক বঙাইগাঁও জিলা প্ৰশাসন আৰু বঙাইগাঁও জিলা কৃষি বিভাগক সহযোগিতা আগবঢ়াবলৈ ইয়াৰে বিনম্ৰ অনুৰোধ জনোৱা হ'ল।

31/07/2023
জিলা কৃষি বিষয়া
বঙাইগাঁও

31/07/2023
জিলা উন্নয়ন আয়ুক্ত
বঙাইগাঁও